**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ যশোভূমিত চেমিকন ইণ্ডিয়া ২০২৫ মুকলি কৰিব।
২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে অখিল ভাৰতীয় বাক আৰু শ্ৰবন প্ৰতিষ্ঠানক উদ্ভাবনশীল হোৱাৰ লগতে বিজ্ঞান প্ৰযুক্তিৰ বিকাশ সাধন কৰিবলৈ আহ্বান জনাইছে।
৩। উচ্চতম ন্যায়ালয়ে আজি ২০ শতাংশ ইথানল মিহলি পেট্ৰল ব্যৱহাৰ সন্দৰ্ভত প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন খাৰিজ কৰে।
৪। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি পাটনাত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী নিৰীক্ষণৰ বিৰোধিতাৰে আৰম্ভ কৰা ভোটাৰ অধিকাৰ যাত্ৰাৰ সামৰণি মাৰে। ***আৰু***
৫। আফগানিস্তানত কালি ভূমিকম্পৰ ফলত ৮০০ লোকৰ মৃত্যু হোৱাৰ লগতে ২ হেজাৰ ৫শৰো অধিক লোক আহত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ যশোভূমিত চেমিকন ইণ্ডিয়া ২০২৫ মুকলি কৰিব। দেশত বহনক্ষম অৰ্ধপৰিবাহী অৰ্থব্যৱস্থা গঢ়ি তোলাৰ বাবে ৩ দিনীয়া কাৰ্যসূচীৰে এই সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনত চেমিকন ইণ্ডিয়া কাৰ্যসূচীৰ অগ্ৰগতি স্মাৰ্ট মেনুফেক্সৰিং, কৃত্ৰিম বুদ্ধিমত্তা আৰু উদ্ভাৱন গৱেষণা আৰু বিকাশ, বিনিয়োগৰ সুবিধা, ৰাজ্যিক পৰ্যায়ৰ আঁচনি ৰূপায়ণ আদি সন্দৰ্ভত আলোচনা কৰা হব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ এই সন্মিলনত ভাগ লব। ৪৮ খনৰো অধিক দেশৰ দুহেজাৰ ৫০০ ৰো অধিক লোকৰ সৈতে এই সন্মিলনত ২০ হাজাৰৰো অধিক প্ৰতিনিধিয়ে ভাগ ল'ব। এই সন্মিলনত ছখন দেশৰ ঘুৰণীয়া মেজমেল অনুষ্ঠিত হ'ব। ষ্টাৰ্ট আপৰ অৰ্থব্যৱস্থা গঢ়ি তোলা, আন্তৰাষ্ট্ৰীয় সহযোগিতা আৰু অৰ্ধপৰিবাহী খণ্ডত ভাৰতৰ ভৱিষ্যতৰ ৰূপৰেখা নিৰূপনক এই সন্মিলনত বিশেষকৈ অগ্ৰাধিকাৰ দিয়া হৈছে।

০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে অখিল ভাৰতীয় বাক আৰু শ্ৰৱণ প্ৰতিষ্ঠানক উদ্ভাৱনীশীল হোৱাৰ লগতে যোগাযোগৰ সমস্যা সমাধানৰ বাবে প্ৰযুক্তিৰ বিকাশ কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি মহীশূৰত অনুষ্ঠিত অখিল ভাৰতীয় বাক আৰু শ্ৰৱণ প্ৰতিষ্ঠানৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি এইদৰে কয়। প্ৰতিষ্ঠানটোৰ দক্ষতাৰ ক্ষেত্ৰত প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে উৎকৃষ্টতা কেন্দ্ৰ থকা প্ৰতিষ্ঠানটোৱে অন্যান্য গৱেষণা প্ৰতিষ্ঠান, ষ্টাৰ্ট আপ আৰু প্ৰতিষ্ঠানৰ প্ৰাক্তন শিক্ষাৰ্থীসকলক শ্ৰৱণ অক্ষমতাৰ সমস্যা সমাধানৰ বাবে জড়িত কৰিব লাগিব। উল্লেখযোগ্য যে এই প্ৰতিষ্ঠানে শ্ৰৱণ ক্ষমতা হেৰুওৱা আৰু কথা কোৱাৰ বিকাৰত আক্ৰান্ত লোকসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত কৰাত সক্ৰিয় ভূমিকা পালন কৰি আহিছে। শ্ৰী মুৰ্মুৱে

ভাষনত সুগম ভাৰত অভিযানৰ বিষয়েও উল্লেখ কৰিছে যাৰ লক্ষ্য হৈছে শ্ৰৱণ আৰু কথা কোৱাৰ সমস্যা থকা লোকসকলক সমান সুযোগ প্ৰদান কৰা। এনে লোকসকলৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰিবলৈ ২৩ ছেপ্টেম্বৰত পালন কৰা সংকেত ভাষা দিৱসৰ বিষয়েও তেওঁ কয়। এই অনুষ্ঠানত ৰাজ্যপাল থাৱাৰচন্দ্ৰ গেহলট আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সিদ্ধৰমৈয়া, কৰ্ণাটকৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী দীনেশ গুণ্ডু ৰাও আৰু কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলো উপস্থিত আছিল।

০০০০

উচ্চতম ন্যায়ালয়ে আজি ভালেমান যান-বাহনৰ গৰাকীয়ে তেওঁলোকৰ বাহনৰ বাবে উপযোগী নোহোৱাকৈ সমগ্ৰ দেশতে কাৰ্যকৰী হোৱা ২০ শতাংশ ইথানল মিহলি পেট্ৰল ব্যৱহাৰ বাধ্যতামূলক কৰাৰ অভিযোগ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন খাৰিজ কৰে। মুখ্য ন্যায়াধীশ বি আৰ গোভাই আৰু ন্যায়াধীশ কে বিনোদ চন্দ্ৰনক লৈ গঠিত এখন বিচাৰপীঠে এই আবেদন খাৰিজ কৰে। বিচাৰপীঠখনে লগতে পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সকলো তেল ডিপোতে ইথানলমুক্ত পেট্ৰলো উপলব্ধ কৰোৱাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি কয় যে নিৰ্বাচিত নেতাসকলে সদন আৰু বিধানসভাৰ মৰ্যাদা আৰু মান অটুত ৰখা উচিত। নতুন দিল্লীত আজি দিল্লী বিধানসভাৰ প্ৰথমগৰাকী অধ্যক্ষ ছাৰ্টি লাল গোৱেলৰ ৯৮ সংখ্যক জয়ন্তী উদ্যাপনৰ অনুষ্ঠানত সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীৰিজিজুৱে কয় যে বৰ্তমান সময়ত ভালেমান ৰাজনীতিকে ৰাজনৈতিক মুনাফাৰ বাবে বিভিন্ন মন্তব্য কৰে। তেওঁ নতুনকৈ নিৰ্বাচিত সাংসদ আৰু বিধায়কসকলক গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰু ইয়াৰ নীতি নিয়মসমূহ সন্মান জনাবলৈ আহ্বান জনায়। তেওঁ গণতন্ত্ৰত জনসাধাৰণৰ বিশ্বাস সুৰক্ষিত কৰাৰ বাবে সংসদ তথা বিধানসভাসমূহ উপযুক্তভাৱে কাৰ্যক্ষম হ'ব লাগে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত শ্ৰীৰিজিজুৱে ছাৰ্টি লাল গোৱেলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই অনুষ্ঠানত কয় যে নিৰ্বাচিত জনপ্ৰতিনিধিসকলে যিকোনো মন্তব্য কৰাৰ ক্ষেত্ৰত সাৱধান হ'ব লাগে।

০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি পাটনাত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী নিৰীক্ষণৰ বিৰোধিতাৰে আৰম্ভ কৰা ভোটাৰ অধিকাৰ যাত্ৰাৰ সামৰণি মাৰে। ৰোহতাচ জিলাৰ চাচাৰামৰ পৰা ১৭ আগষ্টৰ পৰা আৰম্ভ কৰা এই যাত্ৰাত ইণ্ডি মিত্ৰজোটৰ বিভিন্ন নেতাই অংশ লয়। আজি পাটনাত এটা ব্যাপক ৰোড শ্ব'ৰ জৰিয়তে এই যাত্ৰাৰ সামৰণি মাৰা হয়। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা জে এম এমৰ নেতা হেমন্ত চোৰেণ, আৰ জে দিৰ নেতা তেজশ্বী প্ৰসাদ যাদৱ আৰু ভালেমান মিত্ৰজোটৰ নেতাই আজি ৰোড শ্ব'ত অংশ লয়। উদ্ধৱ থাকৰে গোটৰ শিৱসেনা, সাৰদ পাৱাৰ গোটৰ এন চি পি আৰু তৃণমূল কংগ্ৰেছেও এই যাত্ৰাত অংশ লয়।

০০০০

আফগানিস্তানৰ জালালাবাদ মহানগৰৰ সমীপত কালি হোৱা ৰিখতাৰ স্কেলত ৬ প্লাৱল্যৰ ভূমিকম্পৰ ফলত কমেও ৮০০ লোকৰ মৃত্যু হোৱাৰ লগতে ২ হেজাৰ ৫শৰো অধিক লোক আহত হৈছে। আফগানিস্তান চৰকাৰৰ এগৰাকী মুখপাত্ৰই আজি এইকথা প্ৰকাশ কৰে। স্বাস্থ্য মন্ত্ৰালয়ৰ মুখপাত্ৰ শ্বৰাফট জামানে কৈছে যে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে আৰু চিকিৎসা সাহায্যৰ দল অঞ্চলটোত উপস্থিত হৈ আহতসকলক চিকিৎসা প্ৰদান কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আফগানিস্তানৰ ভূমিকম্পত ভালেমান লোকে প্ৰাণ হেৰুওৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ভাৰতে সকলো ধৰণৰ সম্ভাব্য মানৱীয় সাহায্য প্ৰদান কৰাৰ বাবে সাজু আছে। শ্ৰীমোদীয়ে মৃত্যু হোৱা লোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি আফগানিস্তানৰ বিদেশ মন্ত্ৰীগৰাকীক ফোন কৰি ভূমিকম্পত মৃত্যু হোৱা লোকৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। তেওঁ জানিবলৈ দিয়ে যে ভাৰতে মানৱ সাহায্যৰ অংশ হিচাপে ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে।

০০০০

পাকিস্তানৰ গিলগিট বালিস্তানৰ ডিয়ামাৰ জিলাত আজি এখন পাকিস্তান সেনা বাহিনীৰ হেলিকপ্তাৰ দুৰ্ঘটনাগ্ৰস্ত হোৱাত কমেও ৫ গৰাকী লোকৰ মৃত্যু হয়। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি নতুনকৈ নিৰ্মাণ কৰা হেলিপেডত অৱতৰণৰ পৰীক্ষা কৰাৰ সময়ত এই দুৰ্ঘটনা হয়। কৰ্তৃপক্ষসমূহে কাৰিকৰী কাৰণত এই ঘটনা হয় বুলি জানিবলৈ দিছে।

০০০০

ভাৰত বিশ্বৰ ভিতৰতে জৈৱপ্ৰযুক্তিৰ শক্তিকেন্দ্ৰত পৰিণত হোৱাৰ পূৰ্ণ সম্ভাৱনাৰ সৈতে জৈৱ প্ৰযুক্তিয়ে দেশৰ প্ৰতিটো খণ্ডতে স্থান লাভ কৰিছে বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জিতেন্দ্ৰ সিঙে মন্তব্য কৰিছে। দেশৰ অৰ্থনীতি, পৰিৱেশ আৰু সংস্থাপনৰ ক্ষেত্ৰত জৈৱপ্ৰযুক্তিৰ বৰ্ষপূৰ্তি উপলক্ষে আজি নতুন দিল্লীত এটা উচ্চক্ষমতা সম্পন্ন জৈৱপ্ৰযুক্তি কেন্দ্ৰৰ উদ্বোধন কৰি মন্ত্ৰীজনে এইদৰে কয়। ২০৩০ চনৰ ভিতৰত দেশৰ জৈৱ অৰ্থনীতি ৩০০ বিলিয়ন ডলাৰৰ লক্ষ্য লোৱা চৰকাৰৰ পৰিকল্পনাৰ কথা উল্লেখ কৰি মন্ত্ৰীজনে লগতে কয় যে ভাৰতৰ জৈৱ অৰ্থনীতি ২০১৪ চনত মাত্ৰ ১০ বিলিয়ন ডলাৰৰ পৰা ২০২৪ চনত ১৬৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছে।

০০০০

দেশত বিগত বৰ্ষৰ আগষ্ট মাহৰ তুলনাত চলিত বৰ্ষৰ একে মাহত সামগ্ৰী আৰু সেৱা সংগ্ৰহৰ পৰিমাণ ৬ দশমিক ৫ শতাংশ তথা এক লাখ ৮৬ হাজাৰ কোটি টকাৰো অধিক হৈছে। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি ঘৰুৱা মুঠ ৰাজহ সংগ্ৰহৰ পৰিমাণ প্ৰায় এক লাখ ৩৭ হাজাৰ কোটি টকা হোৱাৰ বিপৰীতে আমদানীৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ ৪৯ হাজাৰ কোটিৰো অধিক হয়।

০০০০

শ্ৰীলংকাৰ অপৰাধী অনুসন্ধান বিভাগে ২০২২ চনৰ ৯ মে'ৰ গাল্লে ফেচ'ত প্ৰতিবাদকাৰীৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাৰ সংক্ৰান্তত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি গ'টাবায়া ৰাজাপাক্সাৰ ভাষ্য গ্ৰহণ কৰিব।

দেশখনৰ চি আই ডিয়ে ইয়াৰ পূৰ্বে আই জি পি দেশবন্ধু টেন্নাকুনক হিংসা নিৰ্ণয় নকৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি বেইলত থকা টেন্নাকুনাই ঘটনাৰ সময়ত সংঘাট নিয়ন্ত্ৰণ কৰিবলৈ কোনো নিৰ্দেশ লাভ নকৰাৰ কথা প্ৰকাশ কৰাৰ বিপৰীতে সেইসময়ৰ আই.জি.পি চন্দনা বিক্ৰেমাৰাত্নেই অনুসন্ধানকাৰী বিষয়াৰ আগত কয় যে টেন্নাকুনক সমদলকাৰী সকলক বাধা দিয়াৰ নিৰ্দেশ দিয়া হৈছিল। ইপিনে চি.আই.ডিয়ে আন এটা গোচৰত ৰাষ্ট্ৰপতিৰ প্ৰাক্তন সচিব সামান একানায়কাক

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰানিল বিক্ৰেমেছিংগেৰ ইংলেণ্ড ভ্ৰমনত চৰকাৰী ধনৰ অপব্যৱহাৰ কৰা গোচৰত কাইলৈ চি.আই.ডি কাৰ্যালয়ত হাজিৰ হোৱাৰ নিৰ্দেশ দিছে।

০০০০

বিজেপিয়ে আজি কংগ্ৰেছ নেতা ৰাহুল গান্ধীক নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ভিত্তিহীন অভিযোগ অনাৰ বাবে সমালোচনা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত দলৰ জ্যেষ্ঠ নেতা ৰবীশংকৰ প্ৰসাদে শ্ৰীগান্ধীক ভোট চুৰিৰ সন্দৰ্ভত শপতনামা দাখিলৰ বিষয়টোত নেতাগৰাকীয়ে কিয় মৌনতা অৱলম্বন কৰিছে বুলি প্ৰশ্ন কৰে। শ্ৰীপ্ৰসাদে লোকসভাৰ বিৰোধী নেতাগৰাকীকো অপাৰেছন সিন্দূৰৰ সফলতাত নিৰাপত্তা বাহিনীৰ বীৰত্বক স্বীকৃতি নজনোৱাক লৈ প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সাংবিধানিক প্ৰতিষ্ঠানক অৱমাননা তথা অসত্য অভিযোগ বিয়পোৱাটো তেওঁৰ এটা অভ্যাস বুলি অভিযোগ কৰে।

০০০০

উত্তৰ ৰে'লৱেই আজি জানিবলৈ দিছে যে জম্মু আৰু কাটৰাৰ মাজত আজিৰে পৰা বিশেষ ৰেল চলোৱা হৈছে। কাটৰাৰ মাতা বৈষ্ণোদেৱী মন্দিৰৰ বেচ কেম্পলৈ স্থানীয় জনসাধাৰণ তথা তাত আৱদ্ধ হৈ থকা তীৰ্থযাত্ৰীসকল তথা পুনৰ নিৰ্মাণৰ কামত জড়িত শ্ৰমিকসকলৰ অহা যোৱাৰ সুবিধাৰ বাবে এই সেৱা মুকলি কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিছে যে আজিৰে পৰা ১৫ ছেপ্তেম্বৰলৈকে জম্মু আৰু কাটৰাৰ মাজত ৪ খন বিশেষ ৰে'ল চলোৱা হ'ব।

০০০০

সমাপ্ত